**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
***::::::::::::::::::::::::::::::::::::::::***

কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্থ সুশাসন সপ্তাহৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত আজিৰ পৰা ২৪ ডিচেম্বৰলৈ **প্ৰশাসন গাঁৱৰ ফালে** শীৰ্ষক অভিযান ৰূপায়ণ কৰা হৈছে। প্ৰশাসন ব্যৱস্থাক স্বচ্ছ আৰু নিকা কৰাৰ লগতে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ কাষলৈ লৈ যোৱাটোৱে এই সপ্তাহ উদযাপনৰ অন্যতম লক্ষ্য। তদুপৰি এই সপ্তাহৰ কাৰ্য়সূচীৰ অংশ হিচাপে ৰাজহুৱা ওজৰ আপত্তি ক্ষীপ্ৰতাৰে নিষ্পত্তি কৰাৰ ব্যৱস্থা লোৱা হৈছে। এই অভিযানকালত কামৰূপ জিলাৰ অন্তৰ্গত গুৱাহাটী, দিশপুৰ, চন্দ্ৰপুৰ, সোণাপুৰ আৰু আজাৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লগতে চন্দ্ৰপুৰ, ডিমৰীয়া, আৰু ৰাণী উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ত সংশ্লিষ্ট ৰাজহুৱা সমস্যাসমূহ নিষ্পত্তি কৰা হ'ব। এই বিশেষ শিবিৰত সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়া দায়িত্বত নিয়োজিত হৈ থাকিব।

লখিমপুৰ জিলাতো আজিৰ পৰা এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। সু-শাসন সপ্তাহৰ জৰিয়তে ৰাজহুৱা অভিযোগসমূহৰ সমাধান কৰিবলৈ জিলাখনৰ সকলো বিভাগীয় কাৰ্যালয়ৰ লগতে ৰাজহ চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। ৰাজহুৱা সেৱা উন্নীতকৰণৰ বাবে নাগৰিকসকলৰ অমীমাংসিত আবেদনসমূহ শীঘ্ৰেই নিষ্পত্তি কৰিবলৈ সকলো বিভাগকে নিৰ্দেশ দিয়া হৈছে। **তিনিচুকীয়া** জিলাতো এই অভিযান আজি আৰম্ভ হৈছে।

oooo

ৰাজ্য চৰকাৰে যোৱা ১১ ডিচেম্বৰত আৰম্ভ কৰা বিকাশৰ ১২ দিন শীৰ্ষক উন্নয়নমূলক কাৰ্যসূচীৰ এসপ্তাহ সম্পূৰ্ণ হৈছে।বিগত সপ্তাহত বিভিন্ন জিলাত এই কাৰ্যসূচীৰ অংশ হিচাপে ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ৩২ হাজাৰ ৫৬২ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। তদুপৰি ২ লাখ ১৩ হাজাৰৰো অধিক নৱম শ্ৰেণীৰ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চাইকেল প্ৰদান কৰা হৈছে। ১৮ হাজাৰ ৯৯৭ গৰাকী ছাত্ৰ-ছাত্ৰীক এই সময়ছোৱাত আনন্দৰাম বৰুৱা বঁটাৰ অধীনত বেংক একাউণ্টযোগে আৰ্থিক উদগণি প্ৰদান কৰা হৈছে। একেদৰে অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু সকাহ আঁচনিৰ অধীনত ৪৭ হাজাৰ ৬৭৬ গৰাকী মহিলাক ঋণমুক্তিৰ প্ৰমাণ পত্ৰ বিতৰণ কৰা হৈছে। বান ক্ষতিগ্ৰস্ত ৩ হাজাৰৰো অধিক লোকক আৰু খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ বাবে ৪ হাজাৰ ছশৰো অধিক লোকক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। চৰকাৰে এই সময়ছোৱাত প্ৰায় ১২ লাখ লোকক উন্নয়নমূলক আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য লৈছে।

আজি জলসিঞ্চন মন্ত্ৰী তথা ঢেকিয়াজুলিৰ বিধায়ক অশোক সিংহালে সমষ্টিটোৰ ৭৮ গৰাকী অনগ্ৰসৰ লোকক আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰে।

০০০০

অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত সৰ্বদলীয় প্ৰতিনিধিৰ এটা দলে কোকৰাঝাৰত থকা বিটিচি সচিবালয় পৰিদৰ্শন কৰে। দলটোৱে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিটিচি বিধায়িনী পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়োকে ধৰি অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত অহা বছৰৰ ফেব্ৰুৱাৰীত কোকৰঝাৰত হ'বলগীয়া এদিনীয়া বাজেট অধিবেশনৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়।

শ্ৰীদৈমাৰীয়ে কালি ধুবুৰীত উপস্থিত হৈ ধুবুৰী ফুলবাৰী দলঙৰ নিৰ্মাণকাৰ্যৰ বুজ লয়। তেওঁ লগতে দলঙখনৰ নিৰ্মাণকাৰ্যৰ সৈতে জড়িত কোম্পানীটোৰ কৰ্মকৰ্তাসকলৰ সৈতেও মত বিনিময় কৰে। বৰ্তমানলৈকে দলঙখনৰ প্ৰায় ৫৪ শতাংশ কাম সম্পূৰ্ণ হৈছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে ২০২৭ চনৰ ভিতৰত এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ড° বি আৰ আম্বেদকাৰক অপমান কৰা বুলি অভিযোগ তুলি বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। পুৱাৰ ভাগত লোকসভা মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টীকে ধৰি বিৰোধী পক্ষৰ সাংসদসকলে শ্ৰী শ্বাহে কালি ৰাজ্যসভাত কৰা মন্তব্যৰ বিৰোধিতা কৰি শ্লোগান দিবলৈ আৰম্ভ কৰে। প্ৰতিবাদৰত কিছু সদস্যই সদনৰ মজিয়ালৈ উঠি যায়। এনে হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে অধ্যক্ষ ওম বিৰলাই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ৰাজ্যসভাতো অনুৰূপ পৰিস্থিতিৰ সৃষ্টি হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে, আৰ জে দি, আম আদমী পাৰ্টী আৰু অন্য দলৰ সাংসদসকলে কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ মন্তব্যৰ বিৰোধিতা কৰি শ্ল'গান দিবলৈ ধৰে। এনে হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখে।

০০০০

কংগ্ৰেছ দলে কালি গুৱাহাটীৰ ৰাজভৱন চলো অভিযানৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা কৰ্তব্যৰত সাংবাদিক আইন-শৃংখলা ৰক্ষাকাৰী আৰক্ষীৰ হাতত আহত হোৱা ঘটনাৰ প্ৰতিবাদত আজি ৰাজ্যখনৰ সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। গুৱাহাটী প্ৰেছ ক্লাৱত আজি দুপৰীয়া ইয়াৰ প্ৰতিবাদৰ বাবে এখন সভা অনুষ্ঠিত হ'ব। গুৱাহাটী প্ৰেছ ক্লাৱৰ সভাপতি সুস্মিতা গোস্বামী আৰু সাধাৰণ সম্পাদক সঞ্জয় ৰায়ে জনোৱা মতে, এই ঘটনা সন্দৰ্ভত আৰক্ষী কৰ্তৃপক্ষই স্পষ্টীকৰণ নিদিয়া পৰ্যন্ত সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি যাব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কালি কংগ্ৰেছ দলৰ ৰাজভৱন চলো অভিযানকালত আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ ফলত মৃদুল ইচলাম নামৰ এজন কংগ্ৰেছ কৰ্মী আহত হৈছিল আৰু পাছত তেওঁৰ হাস্পতালত মৃত্যু হৈছিল। এই ঘটনাত এটা বৈদ্যুতিন চেনেলৰ এজন জ্যেষ্ঠ সাংবাদিককে ধৰি কেইবাজনো সাংবাদিকো আহত হৈছিল।

০০০০

সমাপ্ত